'সমাজ সংগঠক মহাপুৰুষ শংকৰদেৱ' আলোচনা চক্ৰৰ প্ৰতিবেদন :

তাৰিখ : ৮ চেপ্তেম্বৰ ২০২১ ইং চন ।

স্থান : অসমীয়া বিভাগৰ শ্ৰেণীকক্ষ ।







আলোচনা টোকা : : শালবাৰী কলেজৰ অসমীয়া বিভাগৰ উদ্যোগত তথা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিৰ্ণায়ক কোষৰ সহযোগত আজি ৮ চেপ্তেম্বৰ ২০২১ ইং তাৰিখে মহাপুৰুষ শংকৰদেৱৰ ওপৰত এখন আলোচনা চক্ৰ অনুষ্ঠিত হয় । অনুষ্ঠানটিৰ আঁত ধৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা মীনা কাকতিয়ে । সমাজ সংগঠক হিচাপে মহাপুৰুষ গৰাকীৰ অসমীয়া সমাজত কিমান অৱদান আছে, সেই সম্পৰ্কে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা নৰ্মদা বসুমতাৰীয়ে এক মনপৰশা বিশ্লেষণ আগবঢ়ায় । মহাপুৰুষ গৰাকীয়ে অসমৰ বিভিন্ন প্ৰান্তত বসবাস কৰি জীয়াই থকা জাতি-উপজাতিৰ মাজত সমন্বয় গঢ়ি তুলি সমাজ খনক একোটাৰ ডোলেৰে সুন্দৰকৈ ধৰি ৰাখিছিল সেই সম্পৰ্কে বিভাগৰে ড০ হৰিশ দাসে অন্তৰস্পৰ্শী চমু বক্তব্য দাঙি ধৰে ।

অলোচনা চক্ৰৰ ফলাফল : আজি অসমীয়া বিভাগৰ উদ্যোগত তথা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিৰ্ণায়ক কোষৰ সহযোগত অনুষ্ঠিত হোৱা আলোচনা চক্ৰ খন সুন্দৰ আৰু সুচাৰুৰূপে সামৰণি পৰে । । আলোচনা চক্ৰ খনত মহাপুৰুষ শংকৰদেৱৰ অসমীয়া সমাজৰ প্ৰতি প্ৰভুত অৱদানৰ কথা দাঙি ধৰে । আলোচনা চক্ৰ খনৰ জৰিয়তে আমাৰ বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ লগতে মহাবিদ্যালয়ৰ আন আন ছাত্ৰ-ছাত্ৰী সকলেও মহাপুৰুষ শংকৰদেৱৰ বিষয়ে ভালেখিনি সমল লাভ কৰা বুলি আমাৰ ধাৰণা হয় । পৰবৰ্তী সময়ত মহাপুৰুষ শংকৰদেৱক সমগ্ৰ জীৱনক লৈ এখন অলোচনা চক্ৰ অনুষ্ঠিত কৰাৰ পোষকতা কৰা হ'ল । শেষত শলাগৰ শৰাই আগবঢ়ায় আলোচনা চক্ৰৰ সামৰণি মাৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা নিতুমনি দাসে ।

Salbari College, Salbari
Estd.1983
Baksa BTR Assam

Principal
Salbari College, Salbari, Baksa